**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাই কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেইক দেশত সাৰৰ নাটনি হোৱা বুলি কৰা অভিযোগ নাকচ কৰিছে।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। আকাশবাণীয়ে মাই গভৰ সহযোগত **AKASHVANI@90- ভাৰতৰ নতুন ছন্দ** শীৰ্ষক ছিগনেচাৰ টিউন প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৩—৪ দিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বেংগালুৰুত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰে।

০০০০০

কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জে পি নাড্ডাই কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেইক দেশত সাৰৰ নাটনি হোৱা বুলি কৰা অভিযোগ নাকচ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীনাড্ডাই কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে সদায়ে কৃষকসকলৰ ওচৰত থিয় দি আহিছে আৰু দেশত প্ৰয়োজনতকৈ অধিক পৰিমাণে সাৰ মজুত আছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ সভাপতিগৰাকীৰ অভিযোগক কৃষক আৰু উৎপাদকসকলক আতংকিত কৰাৰ বাবে চলোৱা এক প্ৰকাৰৰ ৰাজনৈতিকভাৱে অনুপ্ৰাণিত হৈ কৰা চেষ্টা বুলি উল্লেখ কৰে। শ্ৰীনাড্ডাই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় কৃষকসকলে সাৰৰ গোলকীয় দামৰ প্ৰভাৱৰ পৰা মুক্ত হৈ আছে।

চৰকাৰে দেশত সাৰৰ সুৰক্ষা শক্তিশালী, সুস্থিৰ আৰু সুপৰিচালিত হৈ আছে বুলি পুনৰ নিশ্চিত কৰি এটা বিবৃতি প্ৰকাশ কৰিছে। ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ে এই বিবৃতিত কয়, যে শেহতীয়াকৈ সাৰৰ নাটনি হোৱা বুলি কৰা দাবীৰ কোনো যুক্তিযুক্ত তথ্য নাই। অলপতে সামৰণি পৰা ৰবি শস্য ২০২৫-২৬ ঋতু আৰু বৰ্তমানৰ সময়ছোৱাই ৰাষ্ট্ৰজুৰি সাৰৰ পৰ্যাপ্ত যোগান মজুত থকাৰ ইংগিত দিয়ে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। ২০২৫ চনৰ অক্টোবৰৰ পৰা চলিত বৰ্ষৰ মাৰ্চলৈ ৰবি শস্যৰ শেষলৈ লাভ কৰা তথ্য অনুসৰি দেশত প্ৰয়োজনতকৈ অধিক পৰিমাণে সাৰ মজুত আছে। এই অনুসৰি ইউৰিয়াৰ মুঠ প্ৰয়োজন ১৯৬ দশমিক ০—৬ লাখ মেট্ৰিকটনৰ বিপৰীতে ২৫৭ দশমিক ৫—৯ লাখ মেট্ৰিকটন আৰু ডি এ পি ৫৩ দশমিক ৪—৩ লাখ মেট্ৰিকটন প্ৰয়োজন হোৱাৰ বিপৰীতে ৭৫ দশমিক ৪—৩ লাখ মেট্ৰিকটন মজুত আছে। চলিত বিত্তীয় বৰ্ষতো সাৰৰ যোগান শৃংখলা শক্তিশালীভাৱে অব্যাহত আছে বুলি বিবৃতিটোত কোৱা হৈছে।

০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাৰ মন আকৰ্ষণৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দক্ষিণ চৌবিবশ পৰগনা জিলাৰ বাৰুইপুৰত এটা ৰেলীত ভাগ লৈ পশ্চিমবংগত এইবাৰ পৰিৱৰ্তন নিশ্চিত বুলি প্ৰকাশ কৰে। কেইবাখনো জিলাত প্ৰথম পৰ্যায়ৰ ভোটদানৰ ধৰণ লক্ষ্য কৰি শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছৰ জনপ্ৰিয়তা হ্ৰাস পোৱাটোৱেই পৰিলক্ষিত হৈছে বুলি তেওঁ মন্তব্য কৰে। ভোটদাতাসকলক তেওঁলোকৰ এই শক্তি দ্বিতীয় পৰ্যায়তো বৰ্তাই ৰাখিবলৈ আহ্বান জনাই শ্ৰীমোদীয়ে এখন উন্নত বংগ গঠনত আগ-ভাগ ল'বলৈ অনুৰোধ জনায়। প্ৰধানমন্ত্ৰীয়ে শাসনাধিষ্ঠিত দলৰ পৃষ্ঠপোষকতাত ৰাজ্যখনত হোৱা অনুপ্ৰবেশৰ বাবে বহুতো যুৱক-যুৱতী চাকৰি বিচাৰি পশ্চিমবংগৰ বাহিৰলৈ যাবলগীয়া হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে বৰ্তমানৰ চৰকাৰখন মহিলা বিৰোধী চৰকাৰ বুলি অভিযোগ কৰাৰ উপৰি মহিলাৰ সুৰক্ষাৰ বিষয়টোও ৰাজ্যখনত এটা চিন্তাৰ কাৰণ হিচাপে দেখা দিছে। এই সন্দৰ্ভত যাদৱপুৰ বিশ্ববিদ্যালয়ৰ কথা উল্লেখ কৰি তেওঁ কয় যে প্ৰতিষ্ঠানখনৰ সুৰক্ষা দিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক কাৰ্যকলাপত প্ৰভাৱ পেলোৱাৰ উপৰি বিভিন্ন প্ৰশ্ন উদ্ৰেক কৰিছে। ৰাজ্যখনৰ পিছপৰা সম্প্ৰদায়সমূহৰ বাবে কাম কৰাৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰখন ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিজেপি ক্ষমতালৈ আহিলে এই সম্প্ৰদায়ৰ লোকসকলৰ প্ৰতি সেৱা অব্যাহত থাকিব।

তৃণমূল কংগ্ৰেছৰ মুৰববী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি হাওৱাৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে পশ্চিমবংগই পাবলগীয়া ২ লাখ কোটি টকা মুকলি কৰি দিয়া নাই বুলি অভিযোগ তোলে। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নেতৃত্বত ৰাজ্যখন নিৰাপদে থকা বুলি দাবী কৰে। তেওঁ লগতে বিজেপিয়ে মণিপুৰ আৰু নয়দাত গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য কৰে। তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে কালি হাওৱাৰ জগৎবল্লভপুৰত দলৰ হৈ প্ৰচাৰ চলায়।

ooooo

প্ৰচাৰ ভাৰতীৰ আকাশবাণীয়ে মাই গভৰ সহযোগত **AKASHVANI@90- ভাৰতৰ নতুন ছন্দ** শীৰ্ষক ছিগনেচাৰ টিউন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আকাশবাণীয়ে দেশৰ জনসাধাৰণক এই প্ৰতিযোগিতাত অংশ ল'বলৈ আহ্বান জনাইছে। এই প্ৰতিযোগিতাৰ উদ্দেশ্য হৈছে আকাশবাণীৰ অনন্য বিষয়বস্তু আৰু শ্ৰোতাসকলক প্ৰতিফলিত কৰাকৈ ইয়াৰ বিশেষ অনুষ্ঠানসমূহৰ বাবে প্ৰতিষ্ঠিত বাদ্য সংগীত সংৰচনা কৰা। যুৱবাণী আৰু স্পৰ্টছ স্কেন অনুষ্ঠানৰ বাবে ছিগনেচাৰ টিউন স্পন্দনশীল আৰু ছন্দময় হ'ব লাগিব। পৰিয়াল কল্যাণ আৰু মহিলাৰ অনুষ্ঠানৰ বাবে ছিগনেচাৰ টিউন মধুৰ আৰু সবল হ'ব লাগিব। একেদৰে ৰাষ্ট্ৰীয় আলোচনী, সাহিত্য, সংস্কৃতি, চিত্ৰ, বিজ্ঞান, যুৱ ভাৰতী আদি অনুষ্ঠানৰ বাবে সংস্কৃতিৰ সৈতে শিপা সংলগ্ন তথা বৌদ্ধিক আৰু প্ৰেৰণাদায়ক ছিগনেচাৰ টিউন হোৱা উচিত। ছিগনেচাৰ টিউনৰ সময় ২০ৰ পৰা ৪০ ছেকেণ্ডৰ ভিতৰত হ'ব লাগিব আৰু এয়া কেৱল বাদ্য সংগীতহে হ'ব লাগিব, কোনোধৰণৰ গীত বা হামিং হ'ব নালাগিব। আকাশবাণী প্ৰচাৰ ভাৰতীয়ে মাই গভৰ সহযোগত এটা জিংগল প্ৰতিযোগিতাৰো আয়োজন কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৩—৪ দিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমহা

বতাহৰ লগতে ৭ ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত চহৰখনত বানৰ সমস্যা বৃদ্ধি হোৱা, যান-বাহনৰ চলাচল লেহেমীয়া হোৱা আৰু ভূমিস্খলন প্ৰবন এলেকাসমূহত ভূমিস্খলনৰ আশংকা সৃষ্টি হব পাৰে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন সঁহাৰি ব্যৱস্থা সক্ৰিয় কৰি তুলিছে। প্ৰাধিকৰণে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু সজাগ হৈ থাকিবলৈ আহ্বান জনাইছে। দৈনিক আহ-যাহ কৰা আৰু দূৰণীবটীয়া যাত্ৰীসকলক পৰিস্থিতি অনুযায়ী যাত্ৰাৰ পৰিকল্পনা কৰিবলৈ আৰু ধাৰাষাৰ বৰষুণৰ সময়ছোৱাত আৱশ্যক নহ'লে ঘৰৰ পৰা ওলাই নাযাবলৈ আহ্বান জনাইছে। দ এলেকা আৰু পাহাৰৰ কাষৰীয়া অঞ্চলৰ জনসাধাৰণকো বান আৰু ভূমিস্খলনৰ প্ৰতি সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে।

ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিল্লী, চত্তিশগড়, হাৰিয়ানা, চণ্ডীগড়, মধ্যপ্ৰদেশ, পঞ্জাৱ, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু বিদৰ্ভত গ্ৰীষ্মপ্ৰবাহৰ বাবে য়েল্ল' এলাৰ্ট জাৰি কৰিছে। বিভাগে লগতে অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, পশ্চিমবংগ আৰু ছিকিমত ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০

ব্ৰিকচৰ উপ-বিদেশমন্ত্ৰী আৰু মধ্যপ্ৰাচ্য আৰু উত্তৰ আফ্ৰিকাৰ বিশেষ প্ৰতিনিধিসকলৰ সৈতে হোৱা কালি আৰু পৰহি অনুষ্ঠিত বৈঠকত ভাৰতে অধ্যক্ষতা কৰে। এই বৈঠকত শেহতীয়া আঞ্চলিক পৰিস্থিতি বিষয়ত মত বিনিময় কৰা হয়। সামাজিক মাধ্যমত এই বিষয়ে প'ষ্ট কৰি বৈদেশিক মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে সচিব ড০ নীনা মালহোত্ৰাই ব্ৰিকচৰ উপ-বিদেশমন্ত্ৰী আৰু মধ্যপ্ৰাচ্য তথা উত্তৰ আফ্ৰিকাৰ বিশেষ প্ৰতিনিধিসকলৰ সৈতে নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত প্ৰতিনিধিসকলে শেহতীয়া আঞ্চলিক পৰিস্থিতি সন্দৰ্ভত গঠনমূলক মত বিনিময় কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে ব্ৰিকচ মেনা সন্মিলনত অধ্যক্ষৰ বিবৃতিসমূহ প্ৰকাশ কৰিছে, য'ত প্ৰতিনিধিসকলে মধ্যপ্ৰাচ্যৰ শেহতীয়া সংঘাত সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিছে। ব্ৰিকছ হৈছে ব্ৰাজ্ৰিল, চীন, ইজিপ্ত, ইথিউপিয়া, ভাৰত, ইৰান, ৰাছিয়া, ছৌদি আৰব, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰকে মুঠ ১১ খন দেশৰ সমন্বিত মঞ্চ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে গুজৰাট টাইটানছক ৫ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৱে ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ ৫টা বলত ৫ উইকেটৰ বিনিময়ত

নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ বিৰাট কোহলিয়ে সৰ্বাধিক ৮১ আৰু দেবদত্ত পাডিক্কলে ৫৫ ৰান সংগ্ৰহ কৰে। গুজৰাটৰ ৰাশ্বিদ খানে দুটা উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ ছিৰাজ, জেছন হলডাৰ আৰু মানৱ সুথাৰে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে গুজৰাটে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। ছাই সুদৰ্শনে ৫৮টা বলত শত ৰান কৰি আউট হয়। বিৰাট কোহলিক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি দুখনকৈ খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত পঞ্জাব কিংছ আৰু দেলহী কেপিটেলছ মুখামুখি হ'ব। জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত